# অসম বিধান সভা

## তৰাবিহীন প্ৰশ্ন নং- ৫১৫

## উত্তৰ দিয়াৰ তাৰিখ-২৪/০৭/২৬

*বিষয়* : সৰুপথাৰৰ খৰাং পীড়িত খেতিয়কৰ বাবে ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ ক্ষতিপূৰণ সম্পৰ্কত।

বিধায়ক: শ্ৰীবিশ্বজিৎ ফুকন

মাননীয় ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) সৰুপথাৰৰ খৰাং পীড়িত খেতিয়কৰ বাবে ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ পৰা কোনো ধৰণৰ ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে নেকি?

(খ) পূৰ্বতে এই বিভাগৰ পৰা সৰুপথাৰত কিমান খেতিয়কক ক্ষতিপূৰণ দিয়া হৈছিল?

উত্তৰঃ

ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী কেশৱ মহন্ত দেৱে উত্তৰ দিবঃ

(ক) ২০২২ বৰ্ষত এই বিভাগে সৰুপথাৰৰ খৰাংপীড়িত খেতিয়কসকলক SDRF বিধি অনুসৰি ক্ষতিপূৰণ প্ৰদান কৰিছিল। এই বিত্তীয় বৰ্ষত অসমত খৰাং ঘোষণা কৰা হোৱা নাই।

(খ) পূৰ্বতে ২০২২ চনত এই বিভাগে সৰুপথাৰত ২৪,৫২৬ জন খেতিয়কক ক্ষতিপূৰণ দিছিল। জিলা আয়ুক্তৰ পৰা পোৱা বিতং তথ্য তলত উল্লেখ কৰা হ'ল।

| Sl No | No. of drought affected farmers in Sarupathar | Affected agricultural areas in Sarupathar (B-K-L) | No. of farmers to whom financial assistance provided in Sarupathar | Total amount of financial assistance provided in the Sarupathar |
|---|---|---|---|---|
| 1 | 10663 (Revenue area) | 37500B-0K-15L (Revenue area) | 24526 | Rs. 88334017.00 |
| 2 | 15097 (Forest area) | 63668 B-01K-04L (Forest area) | | |
| **Total** | **25760** | **101168 B-01 K-19L** | **24526** | **Rs. 88334017.00** |

* * *

বি: দ্ৰ: প্ৰশ্ন উত্তৰৰ প্ৰতিলিপি ৱেবছাইট যোগে প্ৰেৰণ/আপলোড কৰা হৈছে।